
## পাঠ-৮
# জীৱন ধাৰণৰ প্ৰণালী



প্ৰাচীন কালত মানুহৰ জীৱন ধাৰণৰ প্ৰণালী এতিয়াৰ দৰে নাছিল। সেইসময়ত মানুহে খাদ্য, বাসস্থান আৰু বস্ত্ৰৰ বাবে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিছিল। তেওঁলোকে চিকাৰ কৰি পোৱা প্ৰাণীৰ মঙহ আৰু গছৰ ফল-মূল, গুটি, শিপা, বনৰীয়া শস্য আদি সংগ্ৰহ কৰি খাইছিল। সেইসময়ত তেওঁলোকে সকলো বস্তু কেঁচাই খাইছিল। খাদ্য সংগ্ৰহৰ বাবে এখন ঠাইৰ পৰা আনখন ঠাইলৈ ঘূৰি ফুৰোঁতে ৰ'দ, বৰষুণ, শিলাবৃষ্টি, ধুমুহা আদিৰ পৰা ৰক্ষা পাবলৈ ডাঙৰ গছৰ খোৰোং, পৰ্বতৰ গুহা আদিত আশ্ৰয় লৈছিল। তেওঁলোকে লজ্জা নিবাৰণৰ বাবে গছৰ বাকলি, পাত, প্ৰাণীৰ ছাল আদি পিন্ধিছিল। বনৰীয়া প্ৰাণী, বিষাক্ত সাপ আদিৰ পৰা সুৰক্ষাৰ বাবে সকলো সময়তে তেওঁলোকে দল বান্ধি ফুৰিছিল। এইদৰে দলবান্ধি ফুৰাৰ বাবে মানুহে ইজনে সিজনক সহায়-সহযোগ কৰা, দলৰ নেতৃত্ব দিয়া আদি গুণবোৰ স্বতঃস্ফূৰ্তভাৱে আহৰণ কৰিছিল।

➢ আদিম মানুহে কিয় দলবান্ধি ফুৰিছিল?





তেওঁলোকে খাদ্য সংগ্ৰহৰ বাবে হাবিত ঘূৰি ফুৰি থকা অৱস্থাত ঘটনাক্ৰমে দুটুকুৰা শিল ঘঁহনি খাই ফিৰিঙতিৰ উৎপত্তি হোৱা দেখিছিল। সেই ফিৰিঙতিয়ে শুকান ডাল-পাতৰ সংস্পৰ্শলৈ আহি জুইৰ সৃষ্টি কৰিছিল। এইদৰে জুইৰ আৱিষ্কাৰ হৈছিল। **জুইৰ আৱিষ্কাৰে** মানৱ সভ্যতাৰ অগ্ৰগতিৰ এক বিশেষ অধ্যায় ৰচনা কৰিছিল।

আদিম মানুহে বিভিন্ন কামত শিলৰ দ্বাৰা নিৰ্মিত সঁজুলি ব্যৱহাৰ কৰিছিল, কিয়নো শিল সকলো ঠাইতে পোৱা গৈছিল। এই শিলৰ সঁজুলিবোৰ নিজৰ কামৰ উপযোগীকৈ গঢ় দি বিভিন্ন কামত যেনে— চিকাৰ কৰিবলৈ, খাদ্যবস্তু কাটিবলৈ বা গুৰি কৰিবলৈ ব্যৱহাৰ কৰিছিল। তেওঁলোকে ছবি আঁকিবলৈ শিলৰ জোঙা আৰু মিহি সঁজুলি ব্যৱহাৰ কৰিছিল। আজৰি সময়ত তেওঁলোকে আশ্ৰয় লোৱা গুহাবোৰত দৈনন্দিন জীৱনৰ লগত মিল থকা কিছুমান ছবি যেনে— চিকাৰ কৰা, নাচি থকা আদিৰ ছবি আঁকিছিল। তাৰ উপৰি চৌপাশে দেখি থকা বিভিন্ন প্ৰাণী, চৰাই, ফুল আদিৰ ছবিও আঁকিছিল। এই ছবিবোৰত









ভীমবেট্‌কা গুহাৰ চিত্ৰ

প্ৰাকৃতিকভাৱে তৈয়াৰ কৰা বিভিন্ন বৰণৰ ৰং বোলাই অতি আকৰ্ষণীয় কৰি তুলিছিল। মধ্যপ্ৰদেশৰ ভূপালৰ ভীমবেট্‌কা গুহাৰ ভিতৰত এনেধৰণৰ প্ৰাচীন কালত সেইসময়ৰ মানুহে আঁকা বিভিন্ন ছবি এতিয়াও দেখিবলৈ পোৱা যায়। শিলেই সেই যুগৰ প্ৰধান ব্যৱহৃত সঁজুলি আছিল বাবে সেই সময়ছোৱাক **শিলৰ যুগ** বুলি কোৱা হয়।

➢ আদিম মানুহে শিলক কিয় সঁজুলি হিচাপে ব্যৱহাৰ কৰিছিল?

প্ৰাচীন কালত মানুহৰ জীৱন বৰ কষ্টকৰ আছিল যদিও বৰ সহজ-সৰল আছিল। দলবান্ধি চিকাৰলৈ যোৱা বা খাদ্য সংগ্ৰহ কৰিবলৈ যোৱাটো তেওঁলোকৰ বাবে আমোদজনক আছিল। সকলোৱে একেলগ হৈ কামবোৰ কৰিছিল। খাদ্যবস্তু যি পাইছিল সকলোৱে মিলি ভগাই খাইছিল। ভৱিষ্যতৰ বাবে সাঁচি ৰখাৰ কথা তেওঁলোকে ভবা নাছিল। 'বিনিময় প্ৰথা'ৰ দ্বাৰা তেওঁলোকে নিজৰ ভাগত বেছিকৈ থকা খাদ্যবস্তুবোৰ পৰস্পৰৰ মাজত সাল-সলনি কৰি নিজৰ বাবে দৰকাৰী বস্তুৰ চাহিদা পূৰণ কৰিছিল।

মানুহে নিজৰ সৃষ্টি উন্নত কৰাৰ বাবে অতীতৰ পৰাই চেষ্টা চলাই আহিছে। বুদ্ধি আৰু একাগ্ৰতাৰ ফলত কিছুমান মানুহে সৃষ্টিৰ নতুন নতুন কৌশল আয়ত্ব কৰিছে। সময়ৰ লগে লগে আদিম মানৱৰ জীৱন ধাৰণ প্ৰণালী উন্নত হ'বলৈ ধৰিছিল। পিছে সকলো ঠাইতে এই পৰিৱৰ্তনবোৰ একেসময়তে হোৱা নাছিল। এতিয়াও পৃথিৱীৰ বিভিন্ন ঠাইত চিকাৰৰ ওপৰত নিৰ্ভৰ কৰি জীৱন-যাপন কৰা মানুহৰ সম্ভেদ পোৱা যায়।



➢ আদিম যুগৰ মানুহে নিজৰ লাগতিয়াল বস্তুৰ অভাৱ কেনেকৈ পূৰণ কৰিছিল?



হাজাৰ হাজাৰ বছৰ ধৰি চিকাৰী আৰু খাদ্য সংগ্ৰহকাৰী মানুহৰ মনলৈ খেতিৰ কথা অহাই নাছিল। তেওঁলোকে অঘৰী অৱস্থাৰপৰা খেতি কৰা অৱস্থা পাবলৈ বহু বছৰ লাগিছিল।

**মানুহে খেতি-বাতি কৰি স্থায়ীভাৱে কেনেকৈ বসবাস কৰিবলৈ লৈছিল সেই বিষয়ে জানোঁ আহা—**



*এসময়ত এটা হ্ৰদৰ পাৰত **পানিক** নামৰ এটা দলে বাস কৰিছিল। সেই দলটোত পুৰুষ-মহিলা আৰু ল'ৰা-ছোৱালী মিলি প্ৰায় পঁচিছজনমান মানুহ আছিল। সেই সময়ত তেওঁলোকে আমি পিন্ধাৰ দৰে কাপোৰ-কানি নিপিন্ধিছিল। তেওঁলোকে কেৱল প্ৰাণীৰ ছাল আৰু গছৰ বাকলিহে পিন্ধিছিল। পুৰুষসকলে প্ৰয়োজন অনুসৰি আহাৰ বিচাৰি অৰণ্যত ঘূৰি ফুৰিছিল। তেওঁলোকে প্ৰাণী, মাছ-কাছ, কেকোঁৰা আদি য'ত যি পাই ধৰি আনি পৰিয়ালৰ ওচৰলৈ উভতি আহিছিল। দিনৰ ভাগত মহিলা আৰু শিশুসকলে অৰণ্যত ফল-মূল বিচাৰি ঘূৰি ফুৰিছিল। এনেদৰে খাদ্য সংগ্ৰহ কৰি ঘূৰি ফুৰোঁতে তেওঁলোকৰ এইটো দৃষ্টিগোচৰ হ'ল যে গছৰ গুটি মাটিত কিছুদিন পৰি থকাৰ পিছত আকৌ একেধৰণৰ গছ গজি উঠে আৰু একেই ফল ধৰে। তেওঁলোকে অভিজ্ঞতাৰ পৰা বুজি উঠিল যে জীপাল মাটিতহে গছ-গছনিৰ গুটিবোৰ সোনকালে গজি উঠে। তেওঁলোকে থকা ঠাইৰ ওচৰে-পাজৰে নিজে বীজ পুতি গছপুলিৰ বৃদ্ধিকেনেকৈনো হয় লক্ষ্য কৰি বৰ আনন্দ পোৱা হ'ল। এনেবোৰ কাৰণতেই তেওঁলোকে একেখন ঠাইতেই নভবা-নিচিন্তাকৈয়ে বহুদিন ধৰি থাকি গৈছিল। তেওঁলোকে পিছে তেতিয়ালৈকে নিজে ভালদৰে খেতি কৰাৰ কথা ভবাই নাছিল।*

➢ পানিক নামৰ দলটোৱে কিয় অৰণ্যত ঘূৰি ফুৰিছিল?

➢ অৰণ্যত ঘূৰি ফুৰোঁতে পানিক দলটোৰ মানুহবোৰে কি লক্ষ্য কৰিছিল?

➢ কিয় তেওঁলোকে একে ঠাইতে বহুদিন ধৰি থাকি গৈছিল?

*পিছে সদায় দিনবোৰ একেদৰে নাযায়। এদিন **কেকয়** নামৰ এটা শক্তিশালী দল আহি 'পানিক'সকলক খেদি পঠিয়ালে। এতিয়া 'পানিক'সকল যায় ক'লৈ? উপায় নাপাই তেওঁলোকে এখন সৰু হাবিত থাকিবলৈ ল'লে। এই নতুন ঠাইখনত তেওঁলোকে আগৰ দৰে সহজতে চিকাৰ, ফল-মূল আৰু বনৰীয়া শস্যবোৰ নোপোৱা হ'ল। সেইবাবে তেওঁলোকে এটা কাম কৰিলে। তেওঁলোকে খাবলৈ*



*অনা শস্যৰ বীজ কিছুমান নদী-কাষৰীয়া এডোখৰ জীপাল মাটিত ছটিয়াই দি গজাবলৈ চেষ্টা কৰিলে। কিন্তু হ'ব কি? চৰাই-চিৰিকটিয়ে সেই বীজবোৰ খাই পেলালে। সেয়েহে তেওঁলোকে এটা বুদ্ধি উলিয়াই চৰাই-চিৰিকটিয়ে খাব নোৱাৰাকৈ বীজবোৰ মাটি খান্দি পুতি থ'লে। কিন্তু মাটিখিনি দ হোৱাৰ বাবে নদীৰ পানীয়ে গজালি ওলোৱা বীজবোৰ নষ্ট কৰি পেলালে। তেতিয়া 'পানিক' দলে হাবিৰ পানী নুঠা নিৰাপদ ঠাই এডোখৰ বাছি ল'লে। তেওঁলোকে শিলেৰে নিৰ্মিত কুঠাৰ, জোঙা লাঠি আদিৰে মাটিডোখৰ চহাই কোমল কৰি খেতিৰ বাবে উপযোগী কৰি ল'লে। সেই মাটিত গুটি সিঁচি তেওঁলোকে খেতি কৰিবলৈ আৰম্ভ কৰিলে। এইদৰে কৃষিৰ আৰম্ভ হ'ল। তেওঁলোকে খেতি কৰা ঠাইৰ ওচৰে-পাজৰে স্থায়ীভাৱে থাকিবলৈ ল'লে।*

এই গল্পটোৰ সহায়ত কেনেকৈনো মানুহে প্ৰথমে খেতি কৰিবলৈ আৰম্ভ কৰিছিল সেই বিষয়ে অনুমান কৰিব পাৰিলা। কিন্তু পৃথিৱীৰ সকলো ঠাইতে যে একে সময়তে বা একে কাৰণতে কৃষিৰ আৰম্ভ হৈছিল তেনে নহয়। তদুপৰি কিছুমান এনেকুৱা মানুহৰ দলো আছিল যিসকলে কাহানিও খেতি কৰা নাছিল।

- ➢ পানিকসকল আগৰ ঠাই এৰি কিয় গুচি যাব লগা হ'ল?
- ➢ খেতি কৰিবলৈ আৰম্ভ কৰাৰ লগে লগে তেওঁলোকে কি কি সমস্যাৰ সন্মুখীন হৈছিল?
- ➢ তেওঁলোকে কিয় স্থায়ীভাৱে বসতি কৰিবলৈ ল'লে?



খেতি কৰিবলৈ আৰম্ভ কৰাৰ লগে লগে চিকাৰী আৰু খাদ্য সংগ্ৰহকাৰী মানুহৰ আগতকৈ বেছি চোকা আৰু উন্নত সঁজুলিৰ আৱশ্যক হৈছিল। তেওঁলোকে শিলৰ অস্ত্ৰবোৰ শিলত ঘঁহি ঘঁহি মিহি, চক্‌চকীয়া আৰু জোঙা কৰি লৈছিল। তদুপৰি জন্তুৰ হাড়, দাঁত আৰু কাঠেৰে বিভিন্ন অস্ত্ৰ খেতিৰ উপযোগীকৈ তৈয়াৰ কৰি লৈছিল।

**অসমৰ ডিমা হাছাও জিলাৰ দাওজালি হাডিং নামৰ ঠাইত আদিম মানুহে ব্যৱহাৰ কৰা শিলেৰে নিৰ্মিত কোৰ, শস্য গুড়ি কৰা পটা আৰু মাটিৰ পাত্ৰৰ টুকুৰা পোৱা গৈছে।**





প্ৰাণীৰ লগত মানুহৰ সম্পৰ্ক আদিম যুগৰপৰাই আছিল। মানুহে বনৰীয়া প্ৰাণী চিকাৰ কৰি তাৰ মঙহ খাইছিল। কেতিয়াবা চিকাৰলৈ গৈ প্ৰাণীৰ পোৱালিবোৰ বধ নকৰি ভৱিষ্যতে চিকাৰ নাপালে সেইবোৰ খাব পাৰিব বুলি লগত লৈ আহিছিল। তেওঁলোকে অঘৰী আছিল বাবে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ যাওঁতে তেওঁলোকৰ লগত এই প্ৰাণীবোৰো লৈ ফুৰিছিল। কেতিয়াবা তেওঁলোকে প্ৰাণীবোৰৰ পিঠিত উঠি গৈছিল আৰু লগতে অনা বয়-বস্তুবোৰ ইহঁতৰ পিঠিত কঢ়িয়াই নিছিল। তেওঁলোকে অভিজ্ঞতাৰ পৰা বুজি উঠিছিল যে মঙহ আৰু গাখীৰ পোৱাৰ উপৰি এই প্ৰাণীবোৰ আন কামতো ব্যৱহাৰ কৰিব পাৰি। সেয়েহে মঙহ, গাখীৰ খোৱাৰ উপৰি কৃষিকাৰ্যত সহায় কৰিবলৈ আৰু বয়-বস্তু কঢ়িয়াবলৈ তেওঁলোকে কিছুমান প্ৰাণী পুহিছিল। উদাহৰণস্বৰূপে— গৰু, ছাগলী, গাহৰি, ভেড়া, ঘোঁৰা, গাধ ইত্যাদি। তেওঁলোকে চিকাৰত সহায় কৰা, ঘৰ পহৰা দিয়া আদি কামৰ বাবে কুকুৰ পুহিছিল।

- ➢ আদিম মানৱে কি কি প্ৰাণী পুহিবলৈ লৈছিল?
- ➢ প্ৰাণীবোৰ কি কি কামত ব্যৱহাৰ কৰা হৈছিল?

কৃষিকাৰ্য আৰম্ভ কৰাৰ পিছৰে পৰা মানুহৰ অঘৰী জীৱনৰ অন্ত পৰে। কৃষিকাৰ্যৰ বাবে মানুহে একে ঠাইতে স্থায়ীভাৱে বসবাস কৰিবলৈ ল'লে। এনেকৈয়ে লাহে লাহে দল বান্ধি স্থায়ীভাৱে থাকিবলৈ লোৱাৰ ফলত একো একোখন গাঁৱৰ সৃষ্টি হ'ল।

অসমত কেতিয়াৰ পৰা মানুহে স্থায়ীভাৱে বসবাস কৰিবলৈ ল'লে সেই বিষয়ে ইতিহাসত উল্লেখ নাই। অসম প্ৰাকৃতিকভাৱে অতি চহকী ৰাজ্য। পাহাৰ, মালভূমি, সমভূমি, নদ-নদী, উপত্যকা, চৰ-চাপৰি আদি প্ৰাকৃতিক উপাদানেৰে এই ৰাজ্যখন গঠিত। এনে প্ৰাকৃতিক অৱয়বে আদিম কালৰেপৰা মানুহক বসতিৰ বাবে আকৰ্ষণ কৰি আহিছে। সেয়েহে ৰাজ্যখনৰ সকলো অংশতে আমি কম-বেছি পৰিমাণে জনবসতি দেখিবলৈ পাওঁ। নিয়মীয়াকৈ বানপানী হোৱা নৈপৰীয়া অঞ্চলৰপৰা একেবাৰে পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চললৈ অসমৰ সকলো অঞ্চলত মানুহৰ বসতি দেখা যায়। আমাৰ ৰাজ্যখনত বৰ্তমানে প্ৰায় ২৬ হেজাৰখন গাঁও আছে। ইয়াৰে বেছিভাগ গাঁৱেই ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ সমতল ভূমিত অৱস্থিত। পাহাৰীয়া জিলা দুখন অৰ্থাৎ কাৰ্বি আংলং আৰু ডিমা হাছাওত বহুতো গাঁও আছে। সমভূমি, মালভূমি, পাহাৰ য'তেই অৱস্থিত নহওঁক কিয় প্ৰতিখন গাঁৱৰে বৈশিষ্ট্য নিৰ্ভৰ কৰে তাৰ প্ৰাকৃতিক অৱস্থাৰ ওপৰত।

**ভৈয়াম আৰু পাহাৰীয়া অঞ্চলৰ জীৱন ধাৰণৰ প্ৰণালী—**

ভৈয়াম অঞ্চলবোৰ সাধাৰণতে সমতল ভূমি। সমতল ভূমিত নদ-নদী, খাল-বিল, পুখুৰী আদি থাকে। ভৈয়ামৰ মাটি পলসুৱা হোৱাৰ বাবে কৃষিৰ বাবে উপযোগী।



**ভৈয়ামৰ গাওঁ অঞ্চল—**

ভৈয়ামৰ সমতল ভূমিত মানুহে গাওঁ পাতি বসবাস কৰে। গাঁৱৰ বাসিন্দাসকলৰ প্ৰধান জীৱিকাৰ উপায় হ'ল কৃষি। সাধাৰণতে ধান, মাহ, মৰাপাট, সৰিয়হ, তিল, কুঁহিয়াৰ, নানা প্ৰকাৰৰ শাক-পাচলি আদিৰ খেতি গাঁৱৰ লোকসকলে কৰা দেখা যায়। গাঁও অঞ্চলৰ কিছু লোক কুটীৰ শিল্পৰ লগত জড়িত হৈ থাকে। ভৈয়ামৰ গাওঁবোৰত বসবাস কৰা





লোকসকলে উৎপাদন কৰা বিভিন্ন শস্য, ফল-মূল, শাক-পাচলি, মাটিৰ বাচন-বৰ্তন, বাঁহ-বেতৰ সঁজুলি আদি ওচৰৰ বজাৰসমূহত বিক্ৰী কৰি অৰ্থনৈতিকভাৱে লাভান্বিত হয়। কিছুসংখ্যক লোকে চাকৰি কৰিও জীৱিকা নিৰ্বাহ কৰে। গাওঁ অঞ্চলৰ যাতায়াত ব্যৱস্থা উন্নত নহয়। যান-বাহনৰ সংখ্যা কম। সাধাৰণতে শিক্ষা, চিকিৎসা, ব্যৱসায় আদিৰ সুবিধা কম।

নৈৰ পাৰত বসবাস কৰা কিছু লোকে কৃষিকাৰ্যৰ লগতে মৎস্যজীৱি হিচাপে জীৱিকা নিৰ্বাহ কৰে। আজিকালি গাওঁ অঞ্চলত ডাঙৰ ডাঙৰ পুখুৰী খান্দি মীন পালন কৰি বহুলোকে অৰ্থনৈতিকভাৱে লাভান্বিত হৈছে। গৰু, ছাগলী, হাঁহ-কুকুৰা, গাহৰি আদি পালন কৰিও এই অঞ্চলৰ মানুহে জীৱিকা নিৰ্বাহ কৰে।









চৰ অঞ্চলত বসবাস কৰা লোকসকলে সাধাৰণতে ৰবি শস্যৰ খেতি কৰে। চৰ অঞ্চলৰ মাটি পলসযুক্ত বালিচঁহীয়া হোৱা বাবে তাত খৰালি কালত প্ৰচুৰ পৰিমাণে মাহ, সৰিয়হ, জলকীয়া, বেঙেনা, তৰমুজ আদিৰ খেতি কৰে।

➢ তোমালোকৰ অঞ্চলত কি কি শস্যৰ খেতি কৰা হয়?

**ভৈয়ামৰ চহৰ —**

গাওঁ অঞ্চলতকৈ চহৰ অঞ্চলত বসবাসৰ সুবিধা বেছি। চহৰৰ বাটপথ আহল-বহল, যাতায়াতৰ বাবে সুচল। চহৰৰ জনবসতি ঘন। যান-বাহনৰ সংখ্যা অধিক। ইয়াত যথেষ্ট বিদ্যালয়, মহাবিদ্যালয়, চৰকাৰী আৰু বেচৰকাৰী কাৰ্যালয়, অনুষ্ঠান-প্ৰতিষ্ঠান আদি থাকে। চহৰৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত ডাঙৰ ডাঙৰ উদ্যোগসমূহ প্ৰতিষ্ঠা কৰা হয়। চাকৰি, ব্যৱসায় আদিয়েই চহৰ অঞ্চলৰ লোকসকলৰ জীৱিকা নিৰ্বাহৰ মূল উপায়।



**পাহাৰীয়া অঞ্চল —**

পাহাৰৰ ওখ-চাপৰ ঠাইত বসবাস কৰা লোকসকলে তেওঁলোকৰ জীৱিকা নিৰ্বাহৰ বাবে বিভিন্ন উপায় অবলম্বন কৰে। খৰালি কালত পাহাৰীয়া অঞ্চলত পানীৰ অভাৱ হয়। এই অঞ্চলৰ লোকসকলে সাধাৰণতে জুম খেতি কৰা দেখা যায়। পাহাৰৰ এঢলীয়া ঠাইত কোৰেৰে মাটি খান্দি ঢাপ কৰি জুম খেতি কৰে। তেওঁলোকে কৰা খেতিৰ ভিতৰত আহু ধান, মাকৈ, তিল, আদা, হালধি আদিয়েই প্ৰধান।



জুম খেতি কৰাটো বৰ কষ্টকৰ। উৎপাদিত শস্যৰ কিছু অংশ নিজৰ বাবে ৰাখি বাকী অংশ বজাৰত বিক্ৰী কৰি অৰ্থনৈতিকভাৱে লাভান্বিত হয়।

গাহৰি, গৰু, কুকুৰা আদি পুহিও পাহাৰীয়া অঞ্চলৰ লোকসকলে জীৱন নিৰ্বাহ কৰে। কিছুসংখ্যক লোক চাকৰি, ব্যৱসায় আদিতো জড়িত হৈছে। ইয়াৰ যাতায়াত ব্যৱস্থা ভৈয়ামৰ দৰে সুচল নহয়। এই অঞ্চলৰ মানুহে জীৱন নিৰ্বাহৰ বাবে কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হয়।

➢ ভৈয়াম আৰু পাহাৰীয়া অঞ্চলৰ পাৰ্থক্যসমূহ লিখা।

### চাহ বাগিচাৰ অঞ্চল —

অসমৰ ভৈয়াম আৰু পাহাৰীয়া দুয়ো অঞ্চলতে চাহ বাগিচা দেখা যায়। অসমত ব্যক্তিগত খণ্ড আৰু বিভিন্ন কোম্পানীৰ অধীনত চাহ বাগান আছে। বাগানত পুৰুষ-মহিলা উভয়ে শ্ৰমিক হিচাপে কাম কৰে। তেওঁলোকে বাগানৰ কুমলীয়া পাত চিঙা, উদ্যোগলৈ বস্তু অনা-নিয়া কৰা, যন্ত্ৰ পাতি চলোৱা আদি বিভিন্ন কামৰ লগত জড়িত। তেওঁলোকে বাগানত শ্ৰম কৰি পোৱা উপাৰ্জনৰ দ্বাৰা জীৱিকা নিৰ্বাহ কৰে। তেওঁলোকৰ বাবে স্কুলৰ ব্যৱস্থাও আছে। চাহ বাগিচাৰ পৰিচালকৰ অধীনত কাম-কাজবোৰ চলি থাকে। বৰ্তমান শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত চাহ শ্ৰমিকসকল আগবাঢ়ি গৈছে।



**চিন্তা কৰি লিখা**

সাধাৰণতে কোনো এটা অঞ্চলৰ প্ৰাকৃতিক পৰিৱেশে মানুহৰ জীৱন ধাৰণৰ প্ৰণালীত কেনেদৰে প্ৰভাৱ পেলাই লিখা।

**জানি লওঁ আহা—**

গাঁও অঞ্চলৰ বেছিসংখ্যক লোকেই কৃষি-কৰ্ম, কুটীৰ শিল্প, মীন পালন, হাঁহ-কুকুৰা পালন ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰি সীমিত সা-সুবিধাৰে সমাজ পাতি বাস কৰে। অসমৰ ভৈয়াম আৰু পাহাৰ দুয়ো ঠাইতে **গাঁও অঞ্চল** আছে।

শিল্প বাণিজ্য, চাকৰি, ব্যৱসায় আদিৰ সুবিধা থকা আৰু উন্নত শিক্ষা, চিকিৎসা, যাতায়াত, বিজুলী, পানী আদিৰ ব্যৱস্থা থকা ঘন জনবসতিপূৰ্ণ অঞ্চল সমূহেই হ'ল **চহৰ অঞ্চল**। অসমত ভৈয়াম, পাহাৰ দুয়ো ঠাইতে চহৰ অঞ্চল আছে।

**ক্ৰিয়াকলাপ**

তুমি বাস কৰা ঠাইখনৰ ৫ টা পৰিয়ালৰ সদস্যসকল কেনেকুৱা জীৱনধাৰণৰ কৰ্মত জড়িত হৈ আছে, তাৰ তথ্য সংগ্ৰহ কৰি তলৰ তালিকাখনৰ আৰ্হি অনুসৰি নিজৰ বহীত লিখা। (শিক্ষকে সহায় কৰিব)

| ক্ৰমিক নং | জিলাৰ নাম | গাওঁ/নগৰ/পাহাৰ/চৰ/চাহ বাগান অঞ্চল ইত্যাদি | কৃষিকৰ্মত জড়িত লোকৰ সংখ্যা আৰু তেওঁলোকে কি কি খেতি কৰে | চাকৰিজীৱি লোকৰ সংখ্যা | ব্যৱসায় | অন্যান্য |
|---|---|---|---|---|---|---|
| | | | | | | |



## অনুশীলনী

১। উত্তৰ লিখা—

(ক) গাঁৱৰ বাসিন্দাসকলৰ প্ৰধান জীৱিকা কি? তেওঁলোকে কি কি খেতি কৰে?

(খ) চৰ অঞ্চলত বাস কৰা লোকসকলে কি কি খেতি কৰে?

(গ) জুম খেতি কাক বোলে? এই কৃষি পদ্ধতিৰে কি কি খেতি কৰা হয়?

(ঘ) নৈ পাৰৰ লোকসকলে কিদৰে জীৱন নিৰ্বাহ কৰে?

(ঙ) চাহ বাগিচাৰ শ্ৰমিকসকলে কি কি কামৰ লগত জড়িত?

২। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা —

| 'ক' | 'খ' |
|---|---|
| প্ৰাকৃতিক দিশৰ পৰা অসম এখন | অঘৰী জীৱন যাপন কৰিছিল। |
| অসমৰ ভৈয়াম আৰু পাহাৰ দুয়ো অঞ্চলত | চহকী ৰাজ্য। |
| আদিম মানুহে | ৰবি শস্য কৰে। |
| চৰ অঞ্চলত বসবাস কৰা লোকসকলে সাধাৰণতে | চাহ বাগিচা দেখা যায়। |

৩। খালী ঠাই পূৰ কৰা—

(ক) খৰালি কালত পাহাৰীয়া অঞ্চলত ________ অভাৱ হয়।

(খ) ভৈয়াম অঞ্চলবোৰ সাধাৰণতে ________ ভূমি।

(গ) পাহাৰ অঞ্চলৰ লোকসকলে সাধাৰণতে ________ কৰে।

(ঘ) অসমত পাহাৰ, ভৈয়াম দুয়ো ঠাইতে ________ অঞ্চল আছে।

(ঙ) ________ লোকসকলে কুটীৰ শিল্পৰ লগত জড়িত হৈ থাকে।

৪। তলত দিয়া বাক্য কেইটাৰ পৰা অশুদ্ধবোৰ বাচি উলিয়াই শুদ্ধকৈ লিখা—

(ক) প্ৰাচীনকালত মানুহে স্থায়ীভাৱে ঘৰ সাজি উন্নত জীৱন যাপন কৰিছিল।

(খ) উদ্যোগ, চাকৰি, ব্যৱসায় আদি নগৰ অঞ্চলৰ লোকসকলৰ জীৱিকা নিৰ্বাহৰ মূল উপায়।

(গ) নগৰ অঞ্চলতকৈ গাঁও অঞ্চলত যান-বাহনৰ সংখ্যা কম।

(ঘ) কৃষিকৰ্মৰ বাহিৰেও গাঁও অঞ্চলৰ কিছুলোকে চাকৰিজীৱি হিচাবে জীৱিকা নিৰ্বাহ কৰে।

(ঙ) চৰ অঞ্চলত বসবাস কৰা লোকসকলে সাধাৰণতে ৰবি শস্য কৰে।

৫। জুইৰ আৱিষ্কাৰ কেনেদৰে হৈছিল?

৬। আদিম কালৰ মানুহে কি কি কামৰ বাবে শিলৰ সঁজুলি ব্যৱহাৰ কৰিছিল?

৭। পাৰ্থক্য লিখা— (ক) গাঁও আৰু চহৰ (খ) ভৈয়াম আৰু পাহাৰ

◆◆◆◆◆